# স্নাতক চতুৰ্থ ষাণ্মাসিক (সাধাৰণ পাঠ্যক্ৰম)
## বিষয় ঃ শিক্ষা
## পাঠ ঃ শিক্ষা আৰু সংস্কৃতি

**সংস্কৃতিৰ অৰ্থ ঃ**

'সংস্কৃতি' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Culture'। 'Culture' শব্দটো লেটিন শব্দ 'Cultra'ৰ পৰা আহিছে যাৰ অৰ্থ হ'ল— চহোৰা বা মাটি চহ কৰা কাৰ্য। অৰ্থাৎ চহ কৰা বা চহোৰা কাৰ্য স্বৰূপে সংস্কৃতিয়ে ব্যক্তিৰ মনত উচ্চ সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ জাগ্ৰত কৰি তোলে। বহল দৃষ্টিভংগীৰে চালে ক'ব পাৰি যে সংস্কৃতিয়ে ব্যক্তিৰ আচৰণ, ৰীতি-নীতি, শিক্ষা-দীক্ষা, খাদ্যাভ্যাস, সাজপাৰ, মাত-কথা, দৰ্মীয় বিশ্বাস, নৃত্য-গীত, শিল্প-ভাস্কৰ্য্য, ঘৰ-দুৱাৰ, সাহিত্য  কলা আদি সকলো দিশকে অন্তৰ্ভূক্ত কৰে। গতিকে সংস্কৃতিক এক সামগ্ৰিক অৱস্থা বুলিও ক'ব পাৰি।

**এডৱাৰ্ড বি টেইলৰৰ মতে,** 'সংস্কৃতি হৈছে এক জটিল সামগ্ৰিক ৰূপ যি জ্ঞান, বিশ্বাস, কলা, নীতিবোধ, আইন, প্ৰথা আৰু সমাজৰ সদস্য হিচাপে মানুহে আহৰণ কৰিবলগীয়া অন্যান্য দিশসমূহ সামৰি লয়।

**সংস্কৃতিৰ প্ৰকৃতি ঃ**

১) **হস্তান্তৰিত গুণ ঃ** সংস্কৃতি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ হস্তান্তৰিত হয়। শিক্ষা, অনুকৰণ, উপদেশ আদিৰ জৰিয়তে এই হস্তান্তৰ কাৰ্য চলি থাকে।

২) **সামাজিক গুণ ঃ** সংস্কৃতিক সামাজিক গুণ বুলি ক'ব পাৰি। কাৰণ সমাজত থকা ব্যক্তিসকলৰ আন্তঃক্ৰিয়া বা পাৰস্পৰিক আদান-প্ৰদানৰ যোগেদিহে সংস্কৃতিক আয়ত্ব কৰিব পাৰি। একতা আৰু সংহতিৰ ক্ষেত্ৰত সংস্কৃতিয়ে সহায় কৰে।

৩) **আৰ্জিত গুণ ঃ** সংস্কৃতি হৈছে আৰ্জিত গুণ। শিসু এটি জন্মাৰ লগে লগে সংস্কৃতিৱান হ'ব নোৱাৰে। শিশুটি বৃদ্ধি আৰু বিকাশৰ ফলত যেতিয়া সমাজৰ সংস্পৰ্শলৈ আহে, তেতিয়াহে সংস্কৃতি আয়ত্ব কৰিব পাৰে।

৪) **অবিৰত প্ৰক্ৰিয়া ঃ** সংস্কৃতি হৈছে এক অবিৰত প্ৰক্ৰিয়া। সংস্কৃতি চিৰপ্ৰৱাহমান। এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ ধাৰাবহিকভাৱে চলি থাকে।

৫) **পৰিৱৰ্তনশীল প্ৰক্ৰিয়া ঃ** সংস্কৃতি এক পৰিৱৰ্তনশীল প্ৰক্ৰিয়া। সময় পৰিৱৰ্তনৰ লগে লগে সংস্কৃতিৰো দিশসমূহ পৰিৱৰ্তন হয়।

৬) **আদৰ্শমূলক গুণ ঃ** সংস্কৃতি আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত। সমাজৰ ব্যক্তিসকলে সংস্কৃতিগত আদৰ্শ গ্ৰহণ কৰি নিজৰ জীৱনত প্ৰয়োগ কৰি ভৱিষ্যৎ প্ৰজন্মলৈ হস্তান্তৰিত কৰে।

**সংস্কৃতিৰ গুৰুত্ব ঃ**

সংস্কৃতিয়ে ব্যক্তিগত আৰু সামাজিক জীৱনত যথেষ্ট প্ৰভাৱ পেলায়। এই ক্ষেত্ৰত সংস্কৃতিৰ গুৰুত্ব সম্পৰ্কে তলত আলোচনা কৰিব পাৰি।

১) **ব্যক্তিগত জীৱনত সংস্কৃতিৰ গুৰুত্ব ঃ**

(ক) ব্যক্তিৰ ব্যক্তিত্ব বিকাশত সাংস্কৃতিক পৰিৱেশৰ অতি প্ৰয়োজন। সংস্কৃতিৰ জৰিয়তে ব্যক্তিয়ে সামাজিক জীৱনৰ বাবে প্ৰস্তুত কৰি নিজকে বিকশাই তুলিব পাৰে।

(খ) সংস্কৃতিৰদ্বাৰা ব্যক্তিৰ মূল্যবোধ জগাই তুলিব পাৰি। সমাজত শান্তি আৰু সহযোগিতাৰ বাস কৰিবলৈ মূল্যবোধ বা মানৱীয় গুণৰ দৰকাৰ। সংস্কৃতিয়ে এই ক্ষেত্ৰত সমাজৰ ব্যক্তিসকলক সহায় কৰে।

(গ) মানুহ মাত্ৰেই জীৱনত জটিল সমস্যাৰ সন্মুখীন হয়। সংস্কৃতিয়ে এই জটিল সমস্যাসমূহৰ সমাধানৰ পথ দেখুৱায়।

**সমূহীয়া জীৱনত সংস্কৃতিৰ গুৰুত্ব ঃ**

(ক) সামাজিক জীৱন সফল কৰাত সংস্কৃতিয়ে যথেষ্ট প্ৰভাৱ পেলায়। ব্যক্তিসকলৰ আচৰণ নিয়ন্ত্ৰণ কৰি সংস্কৃতিয়ে ব্যক্তিৰ মৌলিক প্ৰয়োজন (অন্ন, বস্ত্ৰ আৰু বাসস্থান) পূৰণ কৰি সামাজিক জীৱন যাপনত সহায় কৰে।

(খ) সংস্কৃতিয়ে ব্যক্তিক বহল মনোবাৰ গঢ়ি তোলাত সহায় কৰে। সংস্কৃতিয়ে ব্যক্তিক নিজকে এজন সমাজৰ অংশ বুলি উপলব্ধি কৰাত সহায় কৰে।

(গ) সমাজিক জীৱনৰ অস্তিত্ব সংস্কৃতিৰ ওপৰত নিৰ্ভৰ কৰে। বিভিন্ন সমূহৰ লোকৰ নৈতিক, ধৰ্মীয় আৰু সামাজিক আশা-আকাংক্ষা পূৰণৰ ক্ষেত্ৰত সংস্কৃতিয়ে সহায় কৰে।

(ঘ) অতীতক বৰ্তমানৰ লগত জড়িত কৰে সংস্কৃতিয়ে। প্ৰত্যেক প্ৰজন্মকে এক উন্নত জীৱন যাপনত বিশেষ স্থান প্ৰদান কৰে।

**সংস্কৃতিত শিক্ষাৰ প্ৰয়োজনীয়তা ঃ**

**শিক্ষাৰ ওপৰত সংস্কৃতিৰ প্ৰভাৱ ঃ** সংস্কৃতিয়ে শিক্ষাৰ তলত দিয়া দিশসমূহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে।

১) **শিক্ষাৰ লক্ষ্যৰ ক্ষেত্ৰত সংস্কৃতিৰ প্ৰভাৱ ঃ** এখন সমাজৰ সংস্কৃতি যি প্ৰকৃতিৰ, সেই সমাজৰ শিক্ষাৰ লক্ষ্যও তেনে প্ৰকৃতিৰেই হয়।

২) **পাঠ্যক্ৰমৰ ওপৰত সংস্কৃতিৰ প্ৰভাৱ ঃ** শিক্ষাৰ লক্ষ্য নিৰ্ণয় কৰোতে সংস্কৃতিৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। শিক্ষাৰ লক্ষ্যৰ ওপৰত ভিত্তি কৰিয়েই নতুন পাঠ্যক্ৰম প্ৰস্তুত কৰা হয় গতিকে পাঠ্যক্ৰমৰ ওপৰতো সংস্কৃতিয়ে প্ৰভাৱ পেলায়। এখন সমাজৰ সংস্কৃতিক প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰম প্ৰস্তুত কৰা হয়।

৩) **শিক্ষাদান পদ্ধতিৰ ওপৰত সংস্কৃতিৰ প্ৰভাৱ ঃ** পৰিৱৰ্তিত সাংস্কৃতিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি শিক্ষাদান পদ্ধতি প্ৰয়োগ কৰা হয়। প্ৰাচীন কালৰ শিক্ষা আছিল শিক্ষক কেন্দ্ৰীক, গতিকে সেই সময়ত শিক্ষাৰ্থীসকলক কেৱল জ্ঞানৰ বোজা জাপি দিয়াত গুৰুত্ব দিছিল। কিন্তু বৰ্তমান যুগৰ শিক্ষা ব্যৱস্থা হৈছে শিশুকেন্দ্ৰীক। শিশুৰ প্ৰকৃতি ক্ষমতা, আগ্ৰহ, প্ৰয়োজনীয়তা আদিৰ ওপৰত বৰ্তমান শিক্ষা ব্যৱস্থাত গুৰুত্ব আৰোপ কৰা হৈছে। এনেদৰে শিশুৰ বৰ্তমানৰ সমাজ-সংস্কৃতি আৰু ভৱিষ্যতৰ সমাজ-সংস্কৃতিৰ বাবে প্ৰস্তুত কৰাত শিক্ষাই এক পদ্ধতি হিচাপে কাম কৰে।

৪) **অনুশাসনৰ ওপৰত সংস্কৃতিৰ প্ৰভাৱ ঃ** সাংস্কৃতিক চিন্তাধাৰাই অনুশাসনৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে ঃ- প্ৰাচীন আৰু মধ্যযুগৰ সময়ত স্বৈৰাতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰচলিত থকাৰ বাবে অনুশাসনো তেনে ধৰণৰ আছিল। বৰ্তমান সময়ত গণতান্ত্ৰিক শাসন ব্যৱস্থা থকা বাবে আত্ম-অনুশাসনৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

৫) **শিক্ষকৰ ওপৰত সংস্কৃতিৰ প্ৰভাৱ ঃ** প্ৰতিজন শিক্ষকেই সাংস্কৃতিক মূল্যবোধৰ লগত পৰিচিত। ছাত্ৰ-ছাত্ৰীসকলক উচ্চ মূল্যবোধৰ জ্ঞান দিবলৈ হ'লে শিক্ষকসকল সংস্কৃতিৱান হ'ব লাগে।

৬) **বিদ্যালয়ৰ ওপৰত সংস্কৃতিৰ প্ৰভাৱ ঃ** বিদ্যালয়ক এখন সামাজিক অনুষ্ঠান বুলি কোৱা হয়। এখন বিদ্যালয় য'ত অৱস্থিত সেই সমাজৰ সাংস্কৃতিক মূল্যবোধ, আদৰ্শৰ দ্বাৰা বিদ্যালয়খনৰ সকলো কাৰ্যসূচী প্ৰভাৱিত হয়।

**সংস্কৃতিৰ ওপৰত শিক্ষাৰ প্ৰভাৱ ঃ**

১) **সংস্কৃতিৰ সংৰক্ষণ ঃ** এখন সমাজ নিজৰ সংস্কৃতিৰ জৰিয়তে পৰিচয় দাঙি ধৰে। সংস্কৃতিৰ ওপৰত নিৰ্ভৰ কৰি সমাজৰ অস্তিত্ব থাকে। গতিকে সংস্কৃতিৰ সংৰক্ষণ কৰা প্ৰয়োজন। এই ক্ষেত্ৰত শিক্ষাই দায়িত্ব গ্ৰহণ কৰে।

২) **সংস্কৃতিৰ প্ৰেৰণ ঃ** পূৰ্বপুৰুষৰ পৰা নৱ প্ৰজন্মলৈ সংস্কৃতিৰ প্ৰেৰণত শিক্ষাই বিশেষ ভূমিকা গ্ৰহণ কৰে। শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক সংস্কৃতিৰ লগত পৰিচয় কৰাই সুস্থ মনৰ গঢ় দিব পাৰি।

৩) **সংস্কৃতিৰ বিকাশ ঃ** শিক্ষাৰ যোগেদি সাংস্কৃতিক চিন্তাধাৰা, ধাৰণা আৰু মূল্যবোধ বিকশাই তুলিব পাৰি। ইয়াৰ ফলত সমাজৰ প্ৰগতি সম্ভৱ হয়।

৪) **সাংস্কৃতিক বিক্ষিপ্তকৰণ ঃ** সাংস্কৃতিক বিক্ষিপ্তকৰণ হৈছে এক প্ৰক্ৰিয়া য'ত এখন সমাজত সৃষ্ট সাংস্কৃতিক সংলক্ষণসমূহে প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে আন এখনসমাজত প্ৰভাৱ বিস্তাৰ কৰে। এই সাংস্কৃতিক বিক্ষিপ্তকৰণৰ ক্ষেত্ৰত শিক্ষাই এক বিশেষ ভূমিকা গ্ৰহণ কৰে। আনুষ্ঠানিক শিক্ষাৰ মাধ্যম হিচাপে জনসংযোগ মাধ্যমসমূহে বিশ্বৰ বিভিন্ন দেশৰ সংস্কৃতি বিক্ষিপ্তকৰণত ভূমিকা গ্ৰহণ কৰে।

৫) **ব্যক্তিত্ব বিকাশৰ সহায়ক ঃ** শিক্ষাৰ জৰিয়তে শিশুৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰিব পাৰি। এক সুস্থ সাংস্কৃতিক পৰিৱেশৰ যোগেদিহে ব্যক্তিত্বৰ বিকাশ লাভ কৰিব পাৰি।

**প্ৰসংগ পুথি ঃ**


১) শিক্ষাৰ সমাজতাত্ত্বিক ধাৰা — ড° ফুণু দাস শৰ্মা, ড° উৎপল কলিতা

২) Sociological Foundation of Education — Dr. Meera Kumari Devi, Dr. Juri Mahanta, Dr. Chitra Sarma